**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ সামগ্ৰিক বান পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৰাষ্ট্ৰীয় ঘাইপথৰ কাজিৰঙাৰ অংশৰ মাজেৰে লঘু যান-বাহন আৰু বাছৰ চলাচলৰ অনুমতি প্ৰদান কৰা হৈছে। অৱশ্যে বাহনৰ গতিৰ ক্ষেত্ৰত নিষেধাজ্ঞা অব্যাহত থাকিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। ইপিনে, ৰাজ্যৰ বিভিন্ন অঞ্চলত বাঢ়নী পানী হ্ৰাস পাইছে যদিও এতিয়াও ১৭ খন জিলাৰ এহেজাৰ ১০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত আছে। ৰাজ্যখনত ৫ লাখৰো অধিক লোক এতিয়াও বানৰ ক্ষতিৰ সন্মুখীন হৈ আছে। একেদৰে ১১৬ টা আশ্ৰয় শিবিৰত ২৪ হাজাৰৰো অধিক লোকে এতিয়াও আশ্ৰয় লৈ আছে। শেহতীয়া তথ্য অনুসৰি বিগত ২৪ ঘণ্টাত ৰাজ্যত বানৰ ফলত ৩ জন লোকৰ মৃত্যু হোৱাত এইবাৰৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৬ লৈ বৃদ্ধি হৈছে। কোনো কোনো অঞ্চলত পানী শুকুওৱাৰ পাছত জনসাধাৰণ নিজ বাসগৃহ অভিমুখে উভতি গৈছে যদিও বানৰ পাছত বিভিন্ন ৰোগৰ আশংকাই দেখা দিছে। স্বাস্থ্য আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগে পানী বিশুদ্ধকৰণৰ বাবে ঔষধ তথা বিশুদ্ধ খোৱাপানী, অ' আৰ এছ্ আদি বিতৰণ কৰিছে।

ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং অঞ্চলত বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ক্ষতিগ্ৰস্ত কেইবাখনো গাঁৱৰ দুই শতাধিক কৃষক পৰিয়ালৰ প্ৰায় ৬০০ বিঘা ভূমিত লগোৱা শাক-পাচলিৰ খেতি বানত জাহ যোৱাৰ ফলত তেওঁলোক অসুবিধাৰ সন্মুখীন হৈছে। তদুপৰি পোহনীয়া জীৱ-জন্তুৰ মৃত্যু হোৱাত আৰ্থিক ক্ষেত্ৰত সমস্যাই দেখা দিছে।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা আগলি বতৰা অনুযায়ী অসমকে ধৰি দেশৰ ১৯ খন ৰাজ্যত আজিৰেপৰা অহা ৪ দিন পৰ্যন্ত ধাৰাসাৰ বৰষুণৰ সম্ভাৱনা আছে।

০০০০০০০

চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্যালয়ত আজি ৰাজহ মন্ত্ৰী যোগেন মহনে জিলাখনৰ অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত ৯০ গৰাকী হিতাধিকাৰীৰ মাজত স্মাৰ্ট টিভি বিতৰণ কৰে। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ উন্নয়নৰ লগতে দৰিদ্ৰতা নিৰ্মূলৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে বিভিন্ন জন কল্যাণকামী আঁচনি গ্ৰহণ কৰি আহিছে। ইয়াৰ দ্বাৰা সমাজৰ পিছপৰা শ্ৰেণীয়েও যাতে বিকাশৰ ধাৰাত সমানে অংশীদাৰ হ'ব পাৰে তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে বুলি তেওঁ কয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক স্মাৰ্ট টিভিৰ সৎ ব্যৱহাৰ কৰি বিনোদনৰ লগতে দেশ বিদেশৰ বা-বাতৰি আৰু জ্ঞান আহৰণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, জিলাখনৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ উপৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

ৰাজ্য চৰকাৰৰ অন্ন সেৱা দিন আঁচনিৰ অধীনত যোৰহাট জিলাৰ তিতাবৰ আৰু মৰিয়নিত কাৰ্যবাহী দণ্ডাধীশসহ খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা বিভাগৰ বিষয়াই সুলভ মূল্যৰ দোকান পৰিদৰ্শন কৰে। সুলভ মূল্যৰ দোকানীয়ে হিতাধিকাৰীসকলক উপযুক্ত পৰিমাণৰ খাদ্যবস্তুৰ যোগান ধৰা সন্দৰ্ভত সবিশেষ জনোৱাৰ বাবে বিষয়াসকলে দোকানসমূহ পৰিদৰ্শন কৰে।

০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডত স্থাপন হ'বলগীয়া টাটাৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ বাবে অসম চৰকাৰে আবণ্টন দিয়া ৫১৭ বিঘাৰো অধিক ভূমিৰ আজি চৰকাৰী নিয়ম অনুসৰি মৰিগাঁও উপ-পঞ্জীয়কৰ কাৰ্যালয়ত পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন হয়। টাটা ইলেক্ট্ৰনিক্‌ছ কৰ্তৃপক্ষৰ এটা উচ্চস্তৰীয় দল মুম্বাইৰ পৰা আহি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত আলোচনাত মিলিত হোৱাৰ পাছতে ভূমি পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন কৰে। দলটোৱে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাসহ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত উপস্থিত হয়।

০০০০০০০

সাধাৰণ জনজাতীয় ৰাইজৰ সহায় হোৱাকৈ গুৱাহাটীৰ পল্টন বজাৰত নবীকৃত জনজাতীয় জিৰণিগৃহ এটা আজি মন্ত্ৰী ডাঃ ৰণোজ পেগুৰে উদ্বোধন কৰে। শিক্ষা, চিকিৎসা, বাণিজ্যিক আদি কাৰণত গুৱাহাটীলৈ অহা জনজাতীয় লোকসকল এই গৃহৰ জৰিয়তে উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। জিৰণি গৃহটো ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ অনুমোদিত পুঁজিৰে নবীকৰণ কৰা হৈছে।

ইপিনে, ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ পেগুৰে জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতি, অসমৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। সংগঠনৰ বিষয়ববীয়াসকলক জনজাতীয় সমাজখনৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সকলোখিনি সহযোগিতা আগবঢ়োৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। সংগঠনটোৱে উত্থাপন কৰা ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভূমি সংৰক্ষণ, জনজাতীয় অঞ্চলত বিদ্যালয় স্থাপন, স্বায়ত্বশাসিত পৰিষদলৈ সাংবিধানিক মৰ্যাদা প্ৰদান আদি কেইবাটাও বিষয় বৈঠকত আলোচনা কৰা হয়।

০০০০০০০

**সমাপ্ত**